**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-AUG-2026
**Time :** 1845 PM

***Assamese Evening Bulletin***
**HEADLINES (6.45 PM)**
**::::::::::::::::::**

১।	নেপাল-তিবৱতৰ বিধবংসী বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৫৪৭ লৈ বৃদ্ধি।

২।	মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আমিনগাঁৱত ৰাষ্ট্ৰীয় সাঁতোৰ উৎকৰ্ষ কেন্দ্ৰ উদ্বোধন।

৩।	অহা ২৭ অক্টোবৰত গুৱাহাটীৰ পৰা বেংককলৈ পোনপটীয়া বিমান সেৱা আৰম্ভ।

৪।	গুৱাহাটী বিশ্ববিদ্যালয় ছাত্ৰ সমাৰোহৰ উদ্বোধনী সত্ৰত অংশ লৈ শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৰ ছাত্ৰ-ছাত্ৰীসকলক পৰিৱৰ্তিত বিশ্বৰ সৈতে খাপ খোৱাই আগবাঢ়ি যাবলৈ আহ্বান।

**আৰু**

৫।	অসমৰ উমা চেত্ৰী আৰু জিন্তিমণি কলিতাৰ অষ্ট্ৰেলিয়া এ দলৰ বিৰুদ্ধে হ'বলগীয়া শৃংখলাৰ বাবে ভাৰতীয় মহিলা ক্ৰিকেটৰ এ দলত স্থান লাভ।

০০০০০০

নেপাল-তিবৱতৰ বিধবংসী বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৫৪৭ লৈ বৃদ্ধি পাইছে। বানৰ পাছৰে পৰা দেশ দুখনৰ সীমান্তৰ দুয়োপাৰে এহেজাৰ ৫৪৫ গৰাকী লোক সন্ধানহীন হৈ আছে। উদ্ধাৰকাৰী দলে নৈৰ পাৰ আৰু যোগাযোগ বিচ্ছিন্ন হৈ পৰা বস্তি এলেকাসমূহত অভিযান চলাই আছে। ইপিনে, ভোটেকোশী নৈৰ উৎপত্তিস্থলৰ সমীপত নতুনকৈ হ্ৰদৰ সৃষ্টি হোৱাক লৈ উত্তেজনাই বিৰাজ কৰিছে। এই হ্ৰদৰ পাৰ ভাঙি প্ৰবল সোঁতেৰে পুনৰ পানীৰ ঢল নামি আহিলে পৰিস্থিতি অধিক ভয়াৱহ হোৱাৰ লগতে উদ্ধাৰ অভিযান ব্যাহত হোৱাৰ আশংকা কৰা হৈছে। নেপালৰ সুৰক্ষা বাহিনীয়ে বৰ্তমানলৈকে প্ৰভাৱিত এলেকাৰ পৰা ৮০০ ৰো অধিক লোকক উদ্ধাৰ কৰিছে।

ভাৰতেও উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত ৰাখিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জনোৱা মতে, ২৯০ গৰাকী ভাৰতীয় লোকৰ সৈতে এতিয়াও কোনোধৰণৰ যোগাযোগ হোৱা নাই। ভাৰতে বৰ্তমানলৈকে ত্ৰিশূলী জলবিদ্যুৎ প্ৰকল্পত কৰ্মৰত ৬৩ জন শ্ৰমিক আৰু তামিলনাডুৰ ২১ জন লোকসহ মুঠ ৮৪ জন ভাৰতীয় লোকক উদ্ধাৰ কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আজি নেপালত চলি থকা উদ্ধাৰ আৰু সাহায্য অভিযানৰ বিষয়ে আলোচনা কৰে। এটা বাৰ্তাত ড০ জয়শংকৰে কয়, যে কাঠমাণ্ডু আৰু বেইজিঙত থকা ভাৰতীয় দূতাবাসে ঠাই দুখনত থকা ভাৰতীয় লোকৰ বিষয়ে সবিশেষ জনাইছে। বিদেশ মন্ত্ৰালয়ে লগতে নিখোজ হৈ থকা

লোকসকলক বিচাৰি উলিওৱাৰ বাবে আৰু উদ্ধাৰ অভিযানত সহায় কৰাৰ উদ্দেশ্যে অহৰ্নিশে খোলা থকা এটা নিয়ন্ত্ৰণ কক্ষ মুকলি কৰিছে।

ইপিনে, দক্ষিণ-পশ্চিম চীনৰ চিচুৱান প্ৰদেশত আজি অহা ৫ দশমিক ১ প্ৰাৱল্যৰ ভূমিকম্পৰ পাছত নেপালত পুনৰ আকস্মিক বানৰ আশংকাই দেখা দিছে। কৰ্তৃপক্ষই ত্ৰিশূলী অঞ্চলৰ পৰা লোকসকলক আঁতৰি যাবলৈ নিৰ্দেশ দিছে। নেপালৰ আৰক্ষীয়ে জনোৱা মতে তিববতৰ ফালে থকা এটা বান্ধ পুনৰ ভাঙি যোৱাৰ ফলত এই অঞ্চলৰ আবাসী, নিৰাপত্তাৰক্ষী তথা উদ্ধাৰকৰ্মীসকলক নিৰাপদ স্থানলৈ স্থানান্তৰৰ বাবে আহ্বান জনোৱা হৈছে। জলস্তৰ পুনৰ বৃদ্ধি পোৱাৰ ফলত ত্ৰিশূলী আৰু ৰাছুৱাৰ মাজত চলি থকা পথ নিৰ্মাণৰ কামো বন্ধ কৰি দিয়া হৈছে।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি আমিনগাঁৱৰ সাঁতোৰ প্ৰকল্পস্থিত ৰাষ্ট্ৰীয় সাঁতোৰ উৎকৰ্ষ কেন্দ্ৰ উদ্বোধন কৰে। অত্যাধুনিক সুবিধাযুক্ত এই কেন্দ্ৰটো উদ্বোধন কৰি ড০ শৰ্মাই ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱসৰ প্ৰাকক্ষণত এই ছুইমিং পুলটো খেলুৱৈসকলৰ বাবে উৎসৰ্গা কৰি আনন্দ প্ৰকাশ কৰে। কিছুদিনৰ ভিতৰতে আমিনগাঁৱত এখন ক্ৰিকেট ষ্টেডিয়ামৰ নিৰ্মাণো সম্পূৰ্ণ হ'ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে ৰাজ্য চৰকাৰে ৩০০ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা এই ষ্টেডিয়ামখন ২০২৭ চনত মুকলি কৰা হ'ব। অঞ্চলটোত ক্ৰীড়াৰ ক্ষেত্ৰত সকলো ধৰণৰ সুবিধা উপলব্ধ কৰাব পৰাকৈ যাৱতীয় ব্যৱস্থা লোৱা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ লগতে খেলুৱৈ আৰু প্ৰশিক্ষকসকলৰ থকাৰ সুবিধাৰ্থে হোষ্টেলৰ ব্যৱস্থা কৰা হৈছে বুলিও জানিবলৈ দিয়ে।

**ৰাইট (চি এম)**

অনুষ্ঠানত ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰী আৰু সাংসদ বিজুলী কলিতা মেধি উপস্থিতি থাকে।

ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ অধীনৰ এই কেন্দ্ৰটো এহেজাৰ ৩০৯ খন আসন বিশিষ্ট দৰ্শক গেলাৰীৰে সমৃদ্ধ। প্ৰকল্পটোত ৫০ মিটাৰ দৈৰ্ঘ্যৰ ৯টা লেনযুক্ত মূল প্ৰতিযোগিতামূলক পুল আৰু ৫ মিটাৰ গভীৰতাৰ ড্ৰাইভিং পুল অন্তৰ্ভুক্ত হৈ আছে। কেন্দ্ৰটোত ৩০ গৰাকী এথলীটৰ প্ৰশিক্ষণৰ সুবিধা থাকিব।

০০০০০০

গুৱাহাটীৰক পৰা ডুবাই আৰু আবুধাবিলৈ পোনপটীয়া বিমান সেৱা আৰম্ভ হোৱাৰ পাছত অহা ২৭ অক্টোবৰৰ পৰা থাইলেণ্ডৰ বেংককলৈও পোনপটীয়া বিমান সেৱা আৰম্ভ হ'ব। সামাজিক মাধ্যমৰ জৰিয়তে আজি এই কথা সদৰী কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয় যে, ইণ্ডিগ' বিমান সেৱাৰ জৰিয়তে গুৱাহাটীৰ পৰা বেংককলৈ পোনপটীয়া যোগাযোগ আৰম্ভ হ'ব। তেওঁ লগতে কয় যে এই পদক্ষেপৰ জৰিয়তে পৰ্য্যটন, বাণিজ্য আৰু ভ্ৰমণ খণ্ডত নতুন দিগন্ত মুকলি হ'ব।

০০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ড০ বাণীকান্ত কাকতি প্ৰেক্ষাগৃহত আজি গুৱাহাটী বিশ্ববিদ্যালয় ছাত্ৰ সমাৰোহৰ উদ্বোধনী সত্ৰ অনুষ্ঠিত হয়। বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ উদ্যোগত আয়োজিত এই সমাৰোহত শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগু উপস্থিত থাকে। ডা০ পেগুৱে তেওঁৰ ভাষণত কয়, যে যুৱ সমাজে এখন শক্তিশালী, আত্মনিৰ্ভৰ আৰু বিকশিত ভাৰত গঢ়াত অগ্ৰণী ভূমিকা পালন কৰিব। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক পৰিৱৰ্তিত বিশ্বৰ সৈতে খাপ খোৱাই একবিংশ শতিকাৰ দক্ষতাৰে নিজকে প্ৰস্তুত কৰি তোলাৰ লগতে উন্নত প্ৰযুক্তি আৰু নতুন সম্ভাৱনাৰ

ক্ষেত্ৰসমূহ অন্বেষণ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানৰ পাছত সাংবাদিকৰ আগত শিক্ষামন্ত্ৰীগৰাকীয়ে কয়, যে শিক্ষাৰ্থীসকলক জ্ঞান, দক্ষতা আৰু উদ্ভাৱনী চিন্তাৰে সমৃদ্ধ হৈ উদ্যমী তথা নেতৃত্ব দিব পৰা প্ৰজন্ম হিচাপে নতুন ভাৰত নিৰ্মাণৰ বাবে সমৰ্পিত হ'বলৈ তেওঁ আহ্বান জনায়।

**বাইট (ডাঃ পেগু)**

০০০০০০০

ভাৰতীয় প্ৰযুক্তি প্ৰতিষ্ঠান মাদ্ৰাছৰ এটা দলে আজি সমগ্ৰ শিক্ষা অসমৰ কাৰ্যালয়ত এটা কৃত্ৰিম বুদ্ধিমত্তাচালিত উদ্ভাৱনীমূলক শৈক্ষিক মঞ্চ **বোধন ডট এ আই** প্ৰদৰ্শন কৰে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি এইকথা প্ৰকাশ কৰি কয়, যে এই মঞ্চৰ জৰিয়তে শিক্ষকসকলে পাঠ পৰিকল্পনা, সমীক্ষা, বিশেষ শিক্ষণ তথা শ্ৰেণীকোঠাৰ অনুশীলনসমূহ কৃত্ৰিম বুদ্ধিমত্তাৰ সৈতে সংপৃক্ত কৰি ল'ব পাৰিব। অহা বছৰৰ ৩১ মে'ৰ পূৰ্বে **বোধন ডট এ আই** সন্দৰ্ভত ৰাজ্যজুৰি প্ৰায় এক লাখ শিক্ষকক প্ৰশিক্ষিত কৰা হ'ব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০০

ছাত্ৰ-ছাত্ৰীৰ সৃজনশীলতা আৰু বিজ্ঞানমনস্কতা বিকাশৰ উদ্দেশ্যে ডিমৌৰ ছেণ্ট মেৰিজ হাইস্কুলত আজি কলা বিজ্ঞান প্ৰদৰ্শনী ক্ৰেঅ' ভিজন ২০২৬ অনুষ্ঠিত হয়। এই প্ৰৰ্দশনীত ছাত্ৰ-ছাত্ৰী সকলে প্ৰস্তুত কৰা বিজ্ঞান আৰ্হি খাদ্য সামগ্ৰী জাতি জনগোষ্ঠীৰ পৰম্পৰাগত সাজপাৰ, থলুৱা আপুৰুগীয়া সামগ্ৰীকে ধৰি বিভিন্ন সৃষ্টিশীল সামগ্ৰী প্ৰৰ্দশন কৰা হয়। প্ৰৰ্দশনীখনত অভিভাৱক, স্থানীয় ৰাজ্যৰ লগতে কাষৰীয়া অঞ্চলৰ বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু অধ্যক্ষ সকলেও অংশ গ্ৰহণ কৰে। উল্লেখযোগ্য যে, আয়োজক সকলে পাঠ্যপুথিৰ জ্ঞানৰ পৰিসৰৰ বাহিৰলৈ গৈ ছাত্ৰ-ছাত্ৰীক ব্যৱহাৰিক জ্ঞান, সৃষ্টিশীলতা আৰু উদ্ভাৱনী চিন্তাৰ সৈতে পৰিচিত কৰোৱাই এই প্ৰদৰ্শনীৰ মূল উদ্দেশ্য বুলি প্ৰকাশ কৰে।

০০০০০

ৰাষ্ট্ৰীয় লোক আদালতৰ তৃতীয় সংস্কৰণ অহা ১২ ছেপ্তেম্বৰত দেশজুৰি অনুষ্ঠিত হ'ব। লোক আদালতৰ প্ৰস্তুতি সন্দৰ্ভত হাটশিঙিমাৰীৰ জিলা আইন সেৱা প্ৰাধিকৰণে আজি বিয়লি এখন সংবাদ মেলৰ আয়োজন কৰে। প্ৰাধিকৰণে জানিবলৈ দিয়া অনুসৰি লোক আদালতত দেৱানী, আপোচযোগ্য ফৌজদাৰী, চেক বাউন্স, পাৰিবাৰিক বিবাদ, মটৰ দুৰ্ঘটনাৰ ক্ষতিপূৰণ, বেংকৰ ঋণ তথা  বিদ্যুৎ সম্পৰ্কীয় বিবাদ নিষ্পত্তি কৰা হ'ব। হাটশিঙিমাৰীত এইবেলি  ১২ ছেপ্তেম্বৰৰ পুৱা ৯ বজাৰ পৰা তৃতীয় ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। ফেকীমাৰিস্থিত জিলা আদালত চৌহদত অনুষ্ঠিত হ'বলগীয়া এই কাৰ্য্যসূচীত সহস্ৰাধিক গোচৰ নিষ্পত্তিৰ প্ৰস্তুত্তি চলাই থকা হৈছে। ইতিমধ্যে বাদী আৰু বিবাদী পক্ষলৈ লোক আদালতৰ দিনা হাজিৰ হোৱাৰ বাবে জাননী প্ৰেৰণ কৰা হৈছে। জিলা আইন সেৱা প্ৰাধিকৰণে সংশ্লিষ্ট সকলো পক্ষলৈ এই কাৰ্য্যসূচীত অংশ গ্ৰহণৰ বাবে আহ্বান জনাইছে।

০০০০০

যোৰহাট জিলা কৃষি বিভাগৰ উদ্যোগত কৃষি চক্ৰসমূহত ডিজিটেল প্ৰক্ৰিয়াৰে সাৰ ক্ৰয়ৰ সহজ আৰু সু-সংগঠিত ব্যৱস্থা আজি আৰম্ভ হৈছে। ইয়াৰ জৰিয়তে কৃষকসকলে নিজৰ প্ৰয়োজন অনুসৰি বিভিন্ন সাৰ নিৰ্ধাৰিত পৰিমাণত ক্ৰয় কৰিব পাৰিব। প্ৰথমে কৃষকসকলে সাৰ ক্ৰয়ৰ পূৰ্বে আধাৰ অটিপি, ই-কে ৱাই চি, কৃষক পৰিচয় পত্ৰ আৰু ভূমিৰ তথ্য দাখিল কৰাটো বাঞ্চনীয়। ইয়াৰ পাছত তেওঁলোকে কৃষিভূমিৰ প্ৰয়োজন অনুসৰি সাৰৰ

প্ৰকাৰ আৰু পৰিমাণ নিৰ্ধাৰণ কৰি স্থানীয় অনুমোদিত সাৰ বিক্ৰেতাৰ দোকান বাছনি কৰিব পাৰিব। জনসাধাৰণক এই ডিজিটেল ব্যৱস্থাৰ সুবিধা গ্ৰহণ কৰি শৃংখলিতভাৱে সাৰ ক্ৰয় কৰিবলৈ জিলা কৃষি বিষয়াই আহ্বান জনাইছে।

০০০০০০

ৰাজ্যৰ কেইবাখনো বিল পুনৰুদ্ধাৰ কৰাৰ লগতে মৎস্য পালন খণ্ডক ত্বৰান্বিত কৰাৰ উদ্দেশ্যে ছুইফট শীৰ্ষক এটা প্ৰকল্পৰ পৰিকল্পনা কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই সন্দৰ্ভত সবিশেষ সদৰী কৰিছে। ৰাজ্যৰ পৰম্পৰাগত পানীৰ উৎস সমূহ পুনৰুদ্ধাৰ কৰাৰ উদ্দেশ্যে হাতত লোৱা এই পৰিকল্পনাৰ জৰিয়তে স্থানীয় সম্প্ৰদায় সমূহৰ বাবে জীৱিকাৰ স্থায়ী উপায় সুনিশ্চিত কৰাৰো প্ৰয়াস কৰা হৈছে। এছিয়ান ডেভেলপমেণ্ট বেংকৰ সহযোগত ৭৯৬ দশমিক ৮৮ কোটি টকা ব্যয় সাপেক্ষ এই পৰিকল্পনাৰ অধীনত ৰাজ্যৰ ২৩ খন জিলাৰ ৭১ খন বিল পুনৰুদ্ধাৰ কৰা হ'ব। এই পদক্ষেপৰ জৰিয়তে বাৰ্ষিক ৬ হেজাৰ মেট্ৰিকটন মৎস্য উৎপাদনৰ লক্ষ্য লোৱা হৈছে। ছুইফটৰ অধীনত মৎস্যজীৱি সকলৰ মাজত ৩ শতাধিক মাছমৰীয়া নাও আৰু জাল বিতৰণ কৰা হ'ব। তদুপৰি নিয়োগৰ সুবিধা সুনিশ্চিত কৰাৰ বাবে এহেজাৰ গৰাকী যুৱক-যুৱতীক ৫০ হেজাৰ টকাকৈ আৰ্থিক সাহায্য আগবঢ়োৱা হ'ব। এই প্ৰকল্পৰ অধীনত আত্মসহায়ক গোট সমূহৰ বাবে ১০০ টা মৎস্য উৎপাদন গোট আৰু ৩০ টা মৎস্য আহাৰ উৎপাদন গোট প্ৰতিষ্ঠা কৰা হ'ব।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কাইলৈ শ্বিলঙত থকা আসাম ৰেজিমেণ্টৰ কেন্দ্ৰ পৰিদৰ্শন কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে যুদ্ধ স্মাৰক ক্ষেত্ৰত উপস্থিত হৈ শ্বহীদ সকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি তৰ্পন কৰাৰ লগতে যুদ্ধ অনুশীলন প্ৰত্যক্ষ কৰিব। তদুপৰি ড০ শৰ্মাই অগ্নিবীৰ সকলৰ লগতে তেওঁলোকৰ পৰিয়ালবৰ্গৰ সৈতে মত বিনিময় কৰিব।

০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উদ্যোগত আৰু ধেমাজি মহাবিদ্যালয়ৰ সহযোগত আজিৰে পৰা দুদিনীয়া কাৰ্য্যসূচীৰে বিকশিত ভাৰত অভিযানৰ অন্তৰ্গত NASA MUKT YUVA AND IDENTIFICATION OF NEW BLOOD DONER FOR BIKSHIT BHART শীৰ্ষক এক মাণ্ডলিক পৰ্য্যায়ৰ কেম্প অনুষ্ঠিত হৈছে। বিশ্ববিদ্যালয় পঞ্জীয়ক ড০ পৰমানন্দ সোণোৱালে এই অনুষ্ঠানৰ শুভ উদ্বোধন কৰে। তেওঁ বিকশিত ভাৰত গঢ়াৰ স্বাৰ্থত সকলোকে সহায় আগবঢ়াবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে বিকশিত ভাৰত অভিযানৰ অংশ হিচাপে অনুষ্ঠিত হোৱা শিবিৰত লক্ষীমপুৰৰ সাংসদ প্ৰদান বৰুৱা উপস্থিত থাকি নিচামুক্ত যুৱ সমাজ আৰু বিকশিত ভাৰত গঢ় দিয়াৰ বাবে যুৱ সমাজক কু-প্ৰভাৱৰ বিৰুদ্ধে সজাগ কৰাৰ লগতে ৰক্ত দানৰ দৰে মহান সমাজসেৱামূলক কাৰ্য্যৰ প্ৰতি উৎসাহিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰে। তেওঁ লগতে সজাগ, সুস্থ, দায়িত্বশীল আৰু সমাজসেৱাৰ প্ৰতি উৎসগিত যুৱ শক্তিয়ে এখন বিকশিত ভাৰত গঢ়াৰ মূল চালিকা শক্তি বুলি মন্তব্য কৰে। অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ এন এচ কোষ, স্বেচ্ছাসেৱক আৰু অংশগ্ৰহণকাৰী সকল উপস্থিত থাকে।

০০০০০০০

অসমৰ উমা চেত্ৰী আৰু জিন্তিমণি কলিতাই অষ্ট্ৰেলিয়া এ দলৰ বিৰুদ্ধে হ'বলগীয়া সমাগত শৃংখলাৰ বাবে ভাৰতীয় মহিলা ক্ৰিকেটৰ এ দলত স্থান লাভ কৰিছে। প্ৰতিভাৱান খেলুৱৈ দুগৰাকীয়ে ভাৰতীয় এ দলত স্থান পোৱাৰ পাছতে ক্ৰীড়াপ্ৰেমী ৰাইজে অভিনন্দন জ্ঞাপন কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে খেলুৱৈ দুগৰাকীক

শুভেচ্ছা জনায়। এটা বাৰ্তাত শ্ৰীসোণোৱালে কয় যে অসমৰ নাৰী শক্তিয়ে সুযোগ-সম্ভাৱনাৰ নতুন দুৱাৰ মুকলি কৰিছে। দুয়োগৰাকী খেলুৱৈ যুৱ প্ৰজন্মৰ বাবে অফুৰন্ত প্ৰেৰণাৰ উৎস বুলি উল্লেখ কৰি তেওঁ অনাগত শৃংখলাটোৰ বাবে শুভেচ্ছা জনায়।

০০০০০০০

কোকৰাঝাৰৰ মাগুৰমাৰী খেলপথাৰত অহা ৯ ছেপ্তেম্বৰত বাওখুঙগ্ৰী এম এল এ কাপ ফুটবল প্ৰতিযোগিতাৰ উদ্বোধনী খেল আৰম্ভ হ'ব। কোকৰাঝাৰত আজি এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰি বাওখুঙগ্ৰীৰ বিধায়ক ৰূপম চন্দ্ৰ ৰয়ে কয় যে যুৱচামক ক্ৰীড়াৰ প্ৰতি উৎসাহিত কৰা আৰু তেওঁলোকৰ মাজত ফুটবলৰ প্ৰসাৰৰ উদ্দেশ্যে এই প্ৰতিযোগিতাখনৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাত মুঠ ১৪ টা দলে অংশগ্ৰহণ কৰিব বুলি তেওঁ জানিবলৈ দিয়ে। প্ৰতিযোগিতাত বিজয়ী দলক ট্ৰফীসহ ১ লাখ টকাৰ নগদ পুৰস্কাৰ আৰু ৰানাৰ আপ দলক ৫০ হাজাৰ টকাৰ নগদ পুৰস্কাৰ প্ৰদান কৰা হ'ব। প্ৰতিযোগিতাখন সফল কৰি তোলাৰ বাবে আয়োজকসকলে প্ৰস্তুতি অব্যাহত ৰাখিছে বুলি বিধায়কৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০০

সমাপ্ত